নির্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❐ গুৱাহাটী সংস্কৰণ ❐ মুঠ পৃষ্ঠা ১২

ASOMIYA KHABAR GUWAHATI SUNDAY 26 MARCH 2023

## ৰেষ্ট গুৱাহাটী কলেজ অব এডুকেচনৰ উদ্যোগত কৰ্মশালাৰ সামৰণি

আমাৰ খবৰ, আজাৰা, ২৫ মাৰ্চঃ গুৱাহাটীৰ পাণ্ডু টেম্পলঘাটস্থিত ৰেষ্ট গুৱাহাটী কলেজ অব এডুকেচনে গুৱাহাটীৰ বেচৰকাৰী সংস্থা 'চাইল্ড ফ্ৰেণ্ডলী আৰু জনবন্ধু' স্নেহালয়ৰ সহযোগত গোটানগৰস্থিত জনবন্ধু' টেকনিকেল ইনষ্টিটিউটত ২২ মাৰ্চৰ পৰা ২৪ মাৰ্চলৈ তিনিদিনীয়াকৈ এখন গ্ৰীষ্মকালীন কৰ্মশালা অনুষ্ঠিত হৈ যায়। কৰ্মশালাখনত সমাজৰ অৱহেলিত আৰু বস্তি অঞ্চলৰ প্ৰায় ডেৰশতকৈ অধিক শিশুৱে অংশগ্ৰহণ কৰে। মহাবিদ্যালয়খনৰ শিক্ষক, প্ৰশিক্ষাৰ্থীসকলে কৰ্মশালাখনত খেল-ধেমালিৰ মাজেৰে শিশুসকলক ভাষা আৰু গণিতৰ প্ৰায়োগিক জ্ঞান প্ৰদান কৰে। সাক্ষৰতা-গণনাৰ শিকন আছিল কৰ্মশালাখনৰ মূল লক্ষ্য। কৰ্মশালাখনৰ লগত সংগতি ৰাখি বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰে।

Three-days Summer Camp in collaboration with Child Friendly Guwahati (CFG) from 22nd March to 24th March, 2023